১১) ৰাভা হাকাচাম, উপেন (২০০০) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ হাকাচাম ৰামছাদাম।

১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক আৰু আকৃতিমূলক বর্গীকৰণকে বিজ্ঞানসন্মত বুলি ধৰি লোৱা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ একোটা মানৱ গোষ্ঠীৰ পৰা এটি ভাষা-গোষ্ঠীৰ উদ্ভৱ হোৱা ধাৰণা এটাৰে এচাম ভাষাবিদে নৃতাত্ত্বিত বর্গীকৰণৰ ধাৰণা এটি সৃষ্টি কৰিছিল যদিও সেয়া বাস্তৱসন্মত নহয় বুলি অতি সহজেই অনুধাৱন কৰিব পাৰি। কাৰণ মানৱ সমাজৰ ইতিহাসে প্রমাণ কৰিছে যে এটা ভাষা কোৱা লোকৰ মাজত বিভিন্ন মানৱ গোষ্ঠীৰ লোক থাকিব পাৰে, ঠিক তেনেদৰে এটা মানৱ গোষ্ঠীৰ অন্তর্গত লোকেও বিভিন্ন ভাষা ক'ব পাৰে। এনে মিশ্রণ পৃথিৱীৰ ভাষাবোৰৰ ক্ষেত্রত স্বাভাৱিক, গতিকে অমিশ্রিত ভাষা গোষ্ঠী দেখিবলৈ পোৱা নাযায়। সেই কাৰণে নৃতাত্ত্বিক বর্গীকৰণৰ যোগেদি ভাষাৰ আলোচনাৰ কোনো ভিত্তি নাই।

৩ নং প্রশ্নৰ উত্তৰ ঃ কিছুমান ভাষাৰ ধ্বনি, ৰূপ, অর্থ আৰু শব্দভাণ্ডাৰ আদিৰ আন কিছুমান ভাষাৰ লগত সাদৃশ্য থকা দেখা যায় আৰু এনেদৰে সাদৃশ্য থকা ভাষাসমূহৰ মাজত ঐতিহাসিক সম্বন্ধ থকা বুলি ধৰি লোৱা হয়। ইয়াৰ ওপৰত ভিত্তি কৰি ভাষাৰ যি শ্রেণীবিভাজন কৰা হয় তাকে ঐতিহাসিক বর্গীকৰণ বা বংশানুক্রমিক বর্গীকৰণ বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আকৃতিমূলক বর্গীকৰণৰ দুটা ভাগ—অযোগাত্মক বা অৱস্থানিক আৰু যোগাত্মক বা সংশ্লেষণাত্মক।

৫ নং প্রশ্নৰ উত্তৰ ঃ পদবিন্যাসৰ ওপৰত নির্ভৰ কৰি যোগাত্মক বর্গীকৰণৰ ভাষাসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে। যথা — প্রশ্লিষ্ট, অশ্লিষ্ট আৰু শ্লিষ্ট।

১.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষাৰ বর্গীকৰণ কিয় কৰা হয়?

খ) প্ৰৰূপাত্মক বৰ্গীকৰণ কাক বোলে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) প্ৰৰূপাত্মক বৰ্গীকৰণত ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হয়।

খ) যোগাত্মক ভাষাৰ ভিতৰত অশ্লিষ্ট বৰ্গ বিস্তৃতভাৱে প্ৰচলিত।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষাৰ বৰ্গীকৰণ কেনেদৰে কৰা হয়? ইয়াৰ পদ্ধতি সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(ক) প্ৰশ্লিষ্ট (খ) অযোগাত্মক বা অৱস্থানিক

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঐতিহাসিক বৰ্গীকৰণ আৰু আকৃতিমূলক বৰ্গীকৰণ সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাষাৰ বৰ্গীকৰণৰ সকলো দিশ সামৰি এটি প্ৰৱন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ আকৃতিমূলক বৰ্গীকৰণত ভাষাৰ অধ্যয়ন কিহৰ ভিত্তিত কেনেদৰে কৰা হয় আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ঐতিহাসিক আৰু আকৃতিমূলক বৰ্গীকৰণক আন পদ্ধতিসমূহতকৈ কিয় বিজ্ঞানসন্মত বুলি গ্ৰহণ কৰা হৈছে আলোচনা কৰক।

*** ***** ***